JETIR.ORG ISSN: 2349-5162 | ESTD Year : 2014 | Monthly Issue
JOURNAL OF EMERGING TECHNOLOGIES AND INNOVATIVE RESEARCH (JETIR)
An International Scholarly Open Access, Peer-reviewed, Refereed Journal

# চৈয়দ আব্দুল মালিকৰ ' আজোখা' এক হৃদয়স্পৰ্শী সৃষ্টি

ড° অৰ্চনা দেৱী

সহকাৰী অধ্যাপিকা,অসমীয়া বিভাগ , কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়,নমাটি,নলবাৰী ।

## প্ৰস্তাৱনা

চৈয়দ আব্দুল মালিক(১৯১৯– ২০০০) যাৰ সমগ্ৰ জীৱনৰ মুখ্য পৰিচয় এজন সাৰ্থক কথাকাৰ। বিশেষকৈ অসমীয়া গল্প সাহিত্যৰ কেইবাটাও যুগ-সন্ধিৰ সময়ক অতিক্ৰম কৰা ,সুদীৰ্ঘকাল ধৰি দুহেজাৰতকৈও অধিক গল্প ৰচনা কৰি গল্প সম্ৰাট আখ্যাৰে বিভূষিত হোৱা মালিকৰ গল্প সংকলনৰ সংখ্যাও সৰ্বাধিক। ১৯৪৫ চনত প্ৰকাশিত প্ৰথম গল্প সংকলন 'পৰশমণি 'ৰ পাছতেই প্ৰায় তেইশমান গল্প সংকলন মাজত মালিকৰ গল্পসমূহ সন্নিৱিষ্ট হৈ আছে । মনকৰিবলগীয়া, মালিকৰ বহুসংখ্যক গল্প ইংৰাজী, হিন্দী, বাংলা, উৰিয়া,তামিল, তেলেগু, মালায়ালম, উৰ্দু, নেপালী আদি বিভিন্ন ভাষালৈ অনুদিত হৈছে ।

হাইস্কুলীয়া জীৱনৰ পৰা গল্প লিখাৰ কাম আৰম্ভ কৰা মালিকে নিৰবচ্ছিন্ন গতিত এই কামত অগ্ৰসৰ হৈছিল। বাঁহী, আৱাহন আলোচনীৰ পৰা আৰম্ভ কৰি ৰামধেনু, প্ৰকাশ, গৰীয়সীকে ধৰি তেখেতৰ জীৱন কালৰ প্ৰতিখন আলোচনীত গল্প লিখি অসমীয়া গল্প সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি গৈছে।

মালিকৰ গল্পৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় , সমসাময়িক সমাজৰ সৰু-বৰ প্ৰতিটো দিশক গল্পত স্থান দিছে আৰু অতি চাতুৰ্য্যতাৰে কলাত্মক ৰূপ দি তেখেতৰ গল্পসমূহক সকলো শ্ৰেণীৰ পাঠকৰ হৃদয়ৰ বস্তু কৰি তুলিছে ।বিষয়বস্তুৰ বিবিধতা , আংগিকৰ বৈচিত্ৰ্য, ভাষাৰ স্বচ্ছন্দতা, সাৱলীলতা, প্ৰতিটো গল্পৰ মাজত পাঠকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পৰা কুশলতা ; সৰ্বোপৰি মানৱতাবাদ মালিকৰ গল্পৰ মনকৰিবলগীয়া দিশ ।

মালিকে সমাজৰ তুচ্ছাতিতুচ্ছ শ্ৰেণীৰ পৰা আৰম্ভ কৰি উচ্চ শ্ৰেণীলৈকে সকলোকে গল্পত স্থান দিছে । দৰাচলতে মালিকৰ বৈচিত্ৰ্যপূৰ্ণ আৰু সংঘাত জৰ্জৰ জীৱনে সমাজৰ প্ৰতিটো সৰু-বৰ ঘটনাৰ লগত পৰিচয় কৰাইছিল আৰু মালিকেও সেইবোৰ জীয়া অভিজ্ঞতাক গল্পত স্থান দিছিল। ইয়াৰ মূলতে আছিল মালিকৰ মনৰ অন্তঃকোণত প্ৰবাহিত হৈ থকা 'প্ৰেম '। এই প্ৰেম তিনি ভাগত ভাগ কৰিব পাৰি --নৰ-নাৰীৰ জৈৱিক বাসনাযুক্ত প্ৰেম, মনস্তাত্ত্বিক প্ৰেম আৰু মানৱীয়

প্ৰেম। ৰামধেনুত প্ৰকাশিত মালিকৰ গল্পবোৰত এই তিনিওবিধ প্ৰেমৰে প্ৰকাশ দেখা যায় (২)।

মালিকৰ গল্পৰ ভাষা যেনেদৰে চুম্বকীয়; তেনেদৰে মানৱীয় প্ৰেমৰ চিত্ৰও অতি আবেদনীয়। মানৱীয় প্ৰেমৰ স্ফূৰণ ঘটা মালিকৰ তেনে কেতবোৰ গল্প হ'ল যীশুখ্ৰীষ্টৰ ছবি, কাঠফুলা, হৰি মাষ্টৰৰ দোকান, তিনিচকীয়া গাড়ী ,আজোখা, জপনা আদি । বস্তুতঃ অভিজ্ঞতাৰ ব্যাপকতা আৰু বিষয়বস্তুৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত অসমীয়া সাহিত্যত মালিকৰ গল্পৰ তুলনা বিৰল(৩)।

## বিষয়ৰ লক্ষ্য-উদ্দেশ্য

চৈয়দ আব্দুল মালিকৰ গল্পৰ বিশাল সাগৰখনৰ পৰা মাত্ৰ এটা গল্পক আলোচনা পত্ৰৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰা হৈছে ।কিয়নো মালিকৰ কেতবোৰ গল্পৰ বিষয়বস্তু অতি সাধাৰণ হৈও অসাধাৰণ। তেনে গল্পসমূহৰ ভিতৰত তিনিচকীয়া গাড়ী, জপনা, হৰিমাষ্টৰৰ দোকান আদিৰ নাম ল'ব পাৰি। 'আজোখা 'ও এইশ্ৰেণীৰ গল্প। ইতিমধ্যে কোৱা হৈছেই সাধাৰণেই হওক বা অসাধাৰণেই হওক কাহিনী একোটাক মনোজ্ঞ ৰূপত বৰ্ননা কৰি পাঠকৰ হৃদয় চমৎকৃত কৰি তোলাৰ ক্ষেত্ৰত মালিকৰ দক্ষতা অপৰিসীম। এই ক্ষেত্ৰত মহেশ্বৰ নেওগে কৈছে– মালিকৰ আকৰ্ষক শব্দ-চয়নৰ মধুৰ ভাষাৰ যোগেদি কাহিনী বিৱৰণ ক্ষমতা বিৰল ,,, তেনেদৰে চৰিত্ৰ আৰু পৰিস্থিতিৰ উদ্ভাৱন শক্তি অদ্‌ভুত(৪)।

'আজোখা' গল্পৰ বিষয়বস্তু অতি সাধাৰণ যদিও মানবীয় দৃষ্টিভংগীৰে সমাজৰ অতি সাধাৰণ শ্ৰেণীৰ মনোবেদনা এটাক ইমান জীৱন্ত আৰু মৰ্মস্পৰ্শী ৰূপত তুলি ধৰিছে যে,গল্পটো পঢ়ি উঠাৰ পিছত প্ৰতিজন পাঠকৰ হৃদয় এক অবুজ সহানুভূতি আৰু দুখানুভূতিত দ্ৰবীভূত হৈ পৰে । গতিকে গল্পটোৰ বিষয়বস্তু, উপস্থাপন পদ্ধতি, বৰ্ণনা কৌশল, গল্পকাৰৰ সমাজ সচেতনতা আদিক বিচাৰ কৰাটোৱেই নিৰ্বাচিত বিষয়ৰ লক্ষ্য আৰু উদ্দেশ্য ।

## বিষয়ৰ পৰিসৰ আৰু সমল

বিষয়ৰ পৰিসৰ মূলতঃ চৈয়দ আব্দুল মালিকৰ 'আজোখা' গল্পৰ বিশ্লেষণত সীমাবদ্ধ।

আনহাতে আলোচনা পত্ৰখন মুখ্য আৰু গৌণ সমলৰ আধাৰত আগবঢ়াই নিয়া হৈছে। মুখ্য সমল হিচাপে শৈলেন ভৰালী সম্পাদিত 'শ্ৰেষ্ঠ অসমীয়া চুটি গল্প' গ্ৰন্থৰ পৰা আজোখা গল্পটো লোৱা হৈছে । আকৌ গৌণ সমলৰ ক্ষেত্ৰত চৈয়দ আব্দুল মালিকৰ গল্পৰ বিভিন্ন আলোচনাৰ সহায় লোৱা হৈছে যদিও সেইসমূহ তথ্যসূত্ৰৰ সহায়ত দেখুওৱা হৈছে। মুখ্যতঃ গৱেষকৰ নিজা দৃষ্টিভংগী ইয়াৰ মূল সমল।

## বিষয়ৰ পদ্ধতি

বিষয়বস্তুক যথাযথ ভাৱে আলোচনা কৰি নিবলৈ বিশ্লেষণাত্মক আৰু প্ৰয়োজন সাপেক্ষে বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে ।

## মূল বিষয়ত প্ৰৱেশ

মালিকৰ আৱাহন যুগৰ গল্প আৰু ৰামধেনু যুগৰ গল্পৰ তফাৎ বিচাৰিলে দেখা যায়, আৱাহন যুগৰ গল্পসমূহ মূলতঃ ৰোমাণ্টিক কল্পনাবিলাস বা ভাৱবিলাসৰ মাজত আৱদ্ধ আৰু বৰ্ণনাধৰ্মী। বিপৰীতে ৰামধেনু যুগৰ গল্পসমূহ বাস্তৱধৰ্মী আৰু বৰ্ণনা বাহুল্যৰ পৰা বৰ্জিত ।তাৰ লগে লগে লক্ষ্য আৰু ফলশ্ৰুতিত একময়তা, আংগিকৰ দিশৰ সজাগতা, শব্দ প্ৰয়োগৰ দিশৰ কুশলতা মালিকৰ ৰামধেনু যুগৰ গল্পৰ মনকৰিবলগীয়া দিশ। আলোচ্য গল্প 'আজোখা'ও ৰামধেনু যুগৰ বাস্তৱবাদী ধাৰাত ৰচিত এটি অন্যতম চুটিগল্প ।গল্পটোৰ আলোচনাৰ প্ৰসংগত প্ৰহ্লাদ কুমাৰ বৰুৱাই এনেদৰে কৈছে– আৱাহন যুগৰ ৰোমাণ্টিক ভাববিলাসী গল্পৰ পৰা ৰামধেনু যুগৰ গল্পৰ বাস্তৱবাদী গল্পলৈ উত্তৰণ ঘটা গল্প হিচাপে মালিকৰ "আজোখা" এটা সাৰ্থক গল্প(৫)।

'আজোখা' গল্পৰ বিষয়বস্তু নিৰ্বাচিত কৰা হৈছে নিম্নমধ্যবিত্ত সমাজৰ অভাৱী জীৱনৰ কৰুণ জীৱন গাঁথাৰে। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ 'মানিক' এই সমাজৰ প্ৰতিভূ ।মালিকে তেওঁৰ কেতবোৰ গল্প– মানৱতাবোধ,সমাজৰ তথাকথিত নিম্নস্তৰৰ সৰু মানুহবোৰৰ মহত্ব আৰু সত্তা আৱিষ্কাৰৰ চেষ্টা আৰু সামৰণিৰ চমৎকাৰিত্ব এই লেখীয়া বৈশিষ্ট্যৰ সংবেদনশীল কৰি তুলিছে(৬)। আজোখা ইয়াৰ সাৰ্থক নিদৰ্শন। আজোখা গল্পত মালিকৰ দাৰিদ্ৰ্পীড়িত পৰিস্থিতি আৰু মানিকৰ খুৰীয়েকৰ সহানুভূতিশীল মানৱীয় দৃষ্টিভংগী সৰল আৰু সংবেদনশীল ভাৱে ৰূপায়ন কৰা হৈছে(৭)।

অশেষ কষ্ট কৰিও সংসাৰৰ জোৰা-টাপলি মাৰিব নোৱাৰা মালিকে খেতি, হাত-বজাৰ কৰাৰ পৰা আৰম্ভ কৰি যথাসম্ভৱ সকলো প্ৰকাৰৰ কৰ্ম কৰে। তথাপিও পত্নী আৰু পাঁচোটা ল'ৰা-ছোৱালীৰে পৰিপূৰ্ণ সংসাৰখন অভাৱৰ পৰা মুক্ত কৰিব নোৱাৰে। প্ৰথম পুৰুষত বৰ্ণিত গল্পটোত গল্পকাৰে মানিকৰ দৰিদ্ৰতা আচ্ছন্ন জীৱনৰ পৰিচয় দিছে এনেদৰে – আমি ভাই-ককাই ছটা। বাবাৰ মাটি-বাৰী বৰ বেছি নাছিল। ,,,,, বিয়াও কৰালো অলপ সোনকালেই, ল'ৰা-ছোৱালীও পাঁচোটা--ল'ৰা এটি, ছোৱালী চাৰিজনী,লৰাটো সৰু মাজু– এঘাৰ বছৰত সোমাইছে। অলপ বাঢ়িছে, পিছে পথাৰে-সমাৰে মোক সহায় কৰিব পৰা হোৱা নাই। খেতিৰ ভাতে পাঁচমাহমান যায়। অন্য একো আৰ্জন নাই। বাৰীত শাক-পাত, লাও-বেঙেনা কৰো, তাকে দেওবৰীয়া হাটলৈ নি বেচি নিমখ-তেলৰ খৰচ উলিয়াও—- নোজোৰে ।সকলো দাম। এটা মানুহৰ আৰ্জন, পৰিয়ালটো ডাঙৰ। অভাৱ-অনাটনৰ অন্ত নাই(৮)।

অভাৱত পিষ্ট মালিকে ঈদে-বকৰিদে নগৰত থকা দদায়েক-খুড়ীয়েকৰ ওচৰলৈ আহে। ৰেভিনিউ চিৰস্তাদাৰৰ চাকৰি কৰা দদায়েকে যিখিনি পাৰে সহায় কৰিবলৈ চেষ্টা কৰে। সহানুভূতিশীল, মানৱীয় দৃষ্টিভংগীসন্মত দদায়েক-খুড়ীয়েক আৰু দৰিদ্ৰতাৰ পিষ্ট মানিকৰ পৰিয়ালৰ কাহিনীৰ মাজেৰেই গল্পটো সামৰণি পৰিছে । ঈদৰ এদিন আগত দদায়েকৰ ঘৰত সহায়ৰ হাত বিচাৰি উপস্থিত হোৱা মানিকক দদায়েকে সুধিছে – ভালনে সকলোৱে ?বোৱাৰীৰ কেনেকুৱা? মাজতে গা বৰ ভাল নাছিল বুলি শুনিছিলো নেকি? অ' হেৰি নহয়, লৰাটো এবাৰ নানিলি? সি কিমাননো হৈছে? আমাৰ ইমতিয়াজতকৈ সৰু হ'বলা নহয়?,,,, কি নাম থলি তাৰ? আমাৰো জানো কেতিয়াবা যাবৰ উপায় আছে? কাইলৈ বছৰেকৰ ঈদটো আজি এইয়া এবেলা অফিচ কৰি ইবেলি ছুটী লৈ আহিছে (পৃ ১৬৮) ।তেনেদৰে খুড়ীয়েকেও গৰমত কষ্ট কৰি গৈ পোৱা মানিকক সুধিছে — এ মানিক, কেতিয়া আহিলি। বৰ গৰম পৰিছে বোপাই। ৰোজা আছে নেকি? ভিতৰলৈকে আহ। মই বোলো এইবেলি তই আহিবলৈ পাহৰিলিহে হ'বলা। ভাল সকলোৱে? মিজানক লৈ নাহিলি ?(পৃ ১৬৮) দদায়েক-খুড়ীয়েকৰ মুখৰ উক্ত সংলাপৰ মাজেৰে চহৰত বাস কৰা, চৰকাৰী চাকৰিয়াল পৰিয়ালটো মানিকৰ দৰে নিস্বঃ দৰিদ্ৰ পৰিয়ালৰ প্ৰতি কিমান সদয়, কিমান সহানুভূতিশীল অন্তৰৰ তাকেই প্ৰতিপন্ন কৰিছে। ইয়াৰ পিছতেই গল্পকাৰে গল্পটোৰ মূল বক্তব্য দিশলৈ আগবাঢ়ি গৈছে।

গল্পটোৰ মূল বক্তব্য বিষয় হৈছে দৰিদ্ৰ মানুহৰ প্ৰতি অনুকম্পা আৰু মানিকৰ দদায়েক-খুড়ীয়েকৰ দৰে সমাজৰ সাধাৰণ মানুহ শ্ৰেণীৰ মহানুভৱতাৰ প্ৰশস্তি(৯) । ইয়াকে কৰিবলৈ যাওঁতে গল্পকাৰে অতি সাধাৰণ অথচ আকৰ্ষণীয় বৰ্ণনা

ভংগীৰে গল্পৰ লক্ষ্য আৰু পৰিণতিৰ একময়তাৰ ফালে আগবাঢ়ি গৈছে।অতি সিমীত বৰ্ণনাৰ মাজতো গল্পটো অতি আৱেদনীয় হৈ পৰিছে

গল্পটোৰ মানিক নিম্নমধ্যবিত্ত সমাজৰ সততাত বৰ্তি থকা, কাৰুণ্যৰে ভৰা জীৱনৰ নিদৰ্শন। যিখন সমাজৰ এসাঁজ ভালকৈ খোৱা বা এসাঁজ ভালকৈ পিন্ধাৰ সপোন, সপোন হৈয়েই ৰয়। চৰম হতাশা আৰু হীনমন্যতাৰ আনৰ সহায়লৈ, দয়ালৈ বৈ থাকিব লগা হয়। আৰ্থিক দীনতাৰ কাৰণে জীৱনৰ সৰু সৰু প্ৰয়োজনবোৰো তেওঁলোকৰ পূৰ্ণ কৰিব নোৱাৰে ।আৰ্থিক দীনতাত জুৰুলা এই শ্ৰেণীৰ মানুহে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ এনেদৰেই জীৱন অতিবাহিত কৰিব লগা হয়। তেতিয়াই তেওঁলোকৰ কাৰণে সমস্ত পৃথিৱীখন 'আজোখা' হৈ পৰে, জীৱনটোও হৈ পৰে 'আজোখা' । গল্পটোৰ কেন্দ্ৰীয় ভিৰ এয়াই ।

ঈদলৈ বুলি খুৰীয়েকে মানিকৰ ঘৈনীয়েক আৰু ছোৱালী কেইজনীলৈ পুৰণি চাদৰ-মেখেলা , শাড়ী ; মানিকলৈ দদায়েকৰ কামিজ আৰু ঈদৰ 'ফিতিৰা' আদায়ৰ কাৰণে টকা এটা হাতত গুজি দি আৰু ' কিবা লাগিছিল নেকি' বুলি সোধা প্ৰশ্নত গল্পটোৰ কাহিনীভাগে শীৰ্ষ বিন্দুত উপনীত হৈছে।

পিন্ধিবলৈ হাৰাই ছেণ্ডেল এযোৰো নোহোৱা মানিকে এঘাৰ বছৰীয়া ল'ৰা মিজানলৈ এযোৰ জোতাৰ কথা খুৰীয়েকক ক'লে। কিন্তুত তেতিয়ালৈকে বহু ৰাতি হোৱাত খুৰীয়েকে তেওঁলোকৰ পুত্ৰৰ পুৰণি জোতা এযোৰ মানিকৰ হাতত তুলি দিলে। খুৰীয়েকে বান্ধি দিয়া টোপোলা লৈ মানিক ঘৰলৈ উভতিল। মানিক ঘৰ পোৱাৰ পিছত– সকলোৱে যাৰ ভাগত যি পৰে লৈ পিন্ধি চোৱাত লাগিল। দদাইটিৰ ল'ৰা-ছোৱালীৰ গালৈ সৰু হোৱা বা পুৰণি হোৱা কাপোৰ-কানি,তথাপি সিহঁতৰ মুখবোৰ আনন্দত উজ্জ্বল হৈ উঠিল (পৃ ১৭১) ।

এইখন পৃথিৱীত মানিকহঁতৰ দৰে পৰিয়াল সমূহৰ 'ভোগ' এটা দুৰ্বোধ্য শব্দ। দুবেলা দুমুঠি খাবলৈ পোৱাটোৱেই সিহঁতৰ কাৰণে কঠিন। এনে পৰিস্থিতিত আনৰ পুৰণি কাপোৰ এসাঁজ তেওঁলোকৰ কাৰণে কিমান আদৰৰ বস্তু হ'ব পাৰে তাৰেই যথাযথ বৰ্ণনা উক্ত সংলাপে দাঙি ধৰিছে । তেওঁলোকে সাম্ভাব্য সকলো কৰ্ম্ম কৰে, কষ্ট কৰে; তাৰপিছতো তেওঁলোকক অভাৱে পিছ নেৰে । একমাত্ৰ ল'ৰাটোক এযোৰ জোতা আনি দিব নোৱাৰে — মিজানে জোতাযোৰ ভৰিত সুমুৱালে, 'ই এইযোৰ দেখোন বৰ ডাঙৰ, মোৰ ভৰিলৈ বৰ ঢিলা হ'ব। ' ফিতা টানকৈ মৰাৰ পাছতো ঢিলা হৈ থকা দেখি মিজানে ক'লে।,,, জোখ দি পঠিয়াইছিলো নহয়? জোখমতে নানিলি কেলেই? সি অভিযোগ কৰিলে(পৃ ১৭১)। মিজানৰ কথাত মানিকৰ বুকুখন চিৰিংকৈ গ'ল। অকণমানি ল'ৰাটোক এতিয়া কিদৰে বুজনি দিব । প্ৰথম পুৰুষত বৰ্ণিত গল্পটো দৰাচলতে মানিকৰ যোগেদি সেই সমাজখনৰ আত্মকথনহে। মিজানৰ প্ৰশ্নত মানিকৰ অসহায় ৰূপ স্পষ্ট হৈ উঠিছে । তেওঁ ঘৈণীয়েকলৈ চাইছে । লগে লগে ঘৈনীয়েকে মিজানক সন্তুষ্ট কৰিবলৈ উঠিপৰি লাগিছে — নগৰৰ দোকানবোৰ কম ঠগ নেকি । ৰাতি জোতা কিনিবই নেপায়। জোখটো ঠগে– লোকে কোনোবাই পিন্ধি চোৱা জোতাযোৰ দি পঠিয়াইছে। এইযোৰ থৈ দে। অহাবাৰ তই নিজে টাউনলৈ যাবি আৰু ইমতিয়াজৰ লগত গৈ নিজে নতুন জোতা কিনি আনিবি(পৃ ১৭২)। মিজান সৰু ল'ৰা তেওঁক বুজনি দিব পৰা যায়। কিন্তুত মানিকে কেনেকৈ নিজৰ মনক বুজনি দিয়ে! সেয়ে তেওঁ জীৱনৰ অকপট সত্য স্বীকাৰ কৰিছে এনেদৰে – মই ক'ব নোৱাৰিলো, এই জোতাযোৰ নেলাগে। অহা বছৰ ঈদত মই তাক এযোৰ নতুন জোতি কিনি দিম। সেইযোৰ তাৰ ভৰিৰ জোখৰ হ'ব(পৃ ১৭৩)।

ইমানৰ পাছতো মানিকৰ ঘৈণীয়েকৰ ক্ষীণ আশা এটিৰে ইমতাজৰ জোতাযোৰ মানিকৰ ভৰিত হ'ব বুলি চেষ্টা এটা কৰিলে । কিন্তুত জোতাযোৰ মানিকলৈ সৰু হ'ল– তালৈ ডাঙৰ হ'ল, তোমালৈ সৰু হ'ল। সকলো আজোখা । গোটেই

দুনীয়াখনেই আমাৰ কাৰণে আজোখ। তেওঁ নেকান্দিবৰ চেষ্টা কৰিছিল(পৃ ১৭২)।

'গোটেই দুনীয়াখনেই আমাৰ কাৰণে আজোখ' আৰু 'তেওঁ নেকান্দিবৰ চেষ্টা কৰিছিল ' এই দুটা ব্যঞ্জনাধৰ্মী বাক্যই গল্পটোৰ কেন্দ্ৰীয় ভাৱক যথাযথ ৰূপত স্পষ্ট ভাৱে ফুটাই তুলিছে আৰু কাহিনীয়ে পৰিণতিলৈ আগবঢ়ি গৈছে।

গল্পটোত চৰিত্ৰ বুলিবলৈ মানিক-মানিকৰ পত্নী,দদায়েক-খুড়ীয়েক আৰু মানিকৰ ল'ৰা মিজান । চুটিগল্পৰ সদায় চৰিত্ৰৰ প্ৰকাশহে হয় ; বিকাশ নহয়। গতিকে এই সীমিত চৰিত্ৰৰ মাজেদিয়েই গল্পটো গতিশীল হৈ পৰিছে ।গল্পটোত নিম্নমধ্যবিত্ত পৰিয়ালৰ জীৱনৰ কাৰুণ্যৰ দিশটোক উন্মোচিত কৰিবলৈ গৈ গল্পকাৰে মানিক চৰিত্ৰটোক ইয়াৰ প্ৰতিভূ কৰিছে। আনহাতে দদায়েক-খুড়ীয়েকৰ দৰে পৰোপকাৰী, দয়াশীল, সহানুভূতিসম্পন্ন, মানৱদৰদী আদি প্ৰকৃত মানৱীয় গুণসম্পন্ন চৰিত্ৰ অংকনৰ যোগেদি গল্পটোৰ মোহনীয় কৰি তুলিছে। সমাজত এচাম মানুহৰ দাৰিদ্ৰতাৰ বিপৰীতে এচাম মানুহৰ বদান্যতাৰ কাৰণেই সমাজখন প্ৰবাহমান হৈ আছে । এইখিনিতেই গল্পকাৰৰ সমাজ সচেতনতাৰ দিশটোও উন্মোচিত হৈছে।

আকৌ গল্পটোৰ বৰ্ণনা কৌশল অতি সাধাৰণ হৈও অতি অসাধাৰণ। অন্ন ,বস্ত্ৰ, বাসস্থান মানুহৰ মৌলিক আৰু প্ৰাথমিক প্ৰয়োজন বা অধিকাৰ ।কিন্তু সমাজৰ এচামে অহৰহ এই চিন্তাতে নিমগ্ন হৈ থাকব লগা হয়। ভোগবাদী সমাজখন তেওঁলোকৰ কাৰণে সৰ্বদিশৰ পৰা 'আজোখা'হৈ পৰে। কিন্তু 'আজোখা' হ'ল বুলি তেওঁলোকে কোনো বস্তু দলিয়াই পেলাবও নোৱাৰে । 'আজোখা' বোৰকে জীৱনৰ সম্বল কৰি জীয়াই থকাৰ সংগ্ৰামত ব্ৰতী হয়। গল্পটোৰ নামকৰণৰ সাৰ্থকতাও এইখিনিতেই।

## সামৰণি

আলোচনাৰ অন্তত ক'ব পাৰি যে , বিষয়বস্তু, ভাৱবস্তু, বৰ্ণনাশৈলী, চৰিত্ৰ চিত্ৰণ, নিমৰ সাৰ্থকতা আদি সকলো দিশৰ পৰা চৈয়দ আব্দুল মালিকৰ 'আজোখা' এটি সাৰ্থক গল্প, এটি শ্ৰেষ্ঠ গল্প। দৰিদ্ৰতা আৰু মানৱতা এই দুয়োটা ভাৱবস্তুক গল্পকাৰে শৈল্পিক দৃষ্টিকোণেৰে এক সফল পৰিণতি প্ৰদান কৰিছে।

## পাদটীকা

১/ বৰা, অপূৰ্ব (সম্পা) , অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন, পৃ ১৯৯

২/ ঠাকুৰ, প্ৰাপ্তি , ৰামধেনুৰ চুটিগল্প বিচাৰ আৰু বিশ্লেষণ, পৃ ১২৩

৩/ বৰগোহাঞি, হোমেন (সম্পা) , অসমীয়া গল্প সংকলন(দ্বিতীয় খণ্ড), পৃ ১৩

৪/ নেওগ, মহেশ্বৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা , পৃ ৩৩৬

৫ / বৰুৱা প্ৰহ্লাদ কুমাৰ, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ ২১৭-২১৮

৬/ নেওগ মহেশ্বৰ, দাস যোগেশ, শৰ্মা নাৰায়ণ (সম্পা) অসমীয়া গল্প গুচ্ছ, পৃ ২১

৭ / ভৰালী, শৈলেন (সম্পা) শ্ৰেষ্ঠ অসমীয়া চুটিগল্প , পৃ ১৫

৮/ ভৰালী, শৈলেন (সম্পা) উক্ত গ্ৰন্থ , পৃ ১৬৯

৯/ বৰুৱা, প্ৰহ্লাদ কুমাৰ, অসমীয়া চুটিগল্পৰ অধ্যয়ন, পৃ ২১৮ ।

## সহায়ক গ্ৰন্থপঞ্জী


ঠাকুৰ, প্ৰাপ্তি / ৰামধেনুৰ চুটিগল্প বিচাৰ আৰু বিশ্লেষণ/ প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী – ২০০৮

নেওগ, মহেশ্বৰ / অসমীয়া সাহিত্যৰ ৰূপৰেখা / নৰম তাণ্ডৰণ , আগষ্ট– ২০০০

নেওগ, মহেশ্বৰ

দাস , যোগেশ (সম্পা) অসমীয়া গল্প গুচ্ছ / অসম

শৰ্মা ,নাৰায়ণ সাহিত্য সভা / প্ৰথম প্ৰকাশ, অক্টোবৰ– ১৯৮৪

বৰগোহাঞি ,হোমেন (সম্পা) / অসমীয়া গল্প সংকলন (দ্বিতীয় খণ্ড) / চতুৰ্থ প্ৰকাশ, আগষ্ট–২০১৪

বৰা,অপূৰ্ব (সম্পা) / অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন/ প্ৰথম প্ৰকাশ, জুলাই–২০১২

বৰুৱা , প্ৰহ্লাদ কুমাৰ/ অসমীয়া চুটিগল্পৰ অধ্যয়ন/ বনলতা / প্ৰথম প্ৰকাশ, নৱেম্বৰ–১৯৯৫

ভৰালী, শৈলেন (সম্পা) / শ্ৰেষ্ঠ অসমীয়া চুটিগল্প / চন্দ্ৰ প্ৰকাশ/ প্ৰথম প্ৰকাশ, ডিচেম্বৰ–২০১৪